**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 23-07 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**

**:::::::::::::::::::**

১। বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব।

২। বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণ বিভাগে কালি ব্যক্তিগত প্ৰতিষ্ঠান আৰু ষ্টাৰ্টআপসমূহৰ সৈতে ৭২ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

৩। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই দেশজুৰি হোৱা প্ৰতিবাদ তথা ভয়াৱহ হিংসাৰ বাবে বিৰোধী দলসমূহক দোষাৰোপ কৰিছে।

৪। কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই অলিম্পিক অৰ্ডাৰ সন্মান লাভ কৰা ভাৰতীয় খেলুৱৈ অভিনৱ বিন্দ্ৰাক অভিনন্দন জ্ঞাপন কৰিছে। **আৰু**

৫। ভাৰত আজি মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত হ'বলগীয়া এখন খেলত নেপালৰ মুখামুখি হ'ব।

০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি দিনৰ ১১ বজাত লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰত তৃতীয়বাৰলৈ চৰকাৰ গঠন হোৱাৰ পাছত এয়া প্ৰথম বাজেট হ'ব। ইপিনে ২০১৯ বৰ্ষত দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব শ্ৰীসীতাৰমনৰ ক্ৰমাগত সপ্তখন বাজেট। বাজেট প্ৰস্তুত কৰিবলৈ কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে শিক্ষা, স্বাস্থ্য, নিয়োগ, বাণিজ্য, আন্তঃগাঁথনি তথা শক্তিকে ধৰি বিভিন্ন খণ্ডৰ আগশাৰীৰ ব্যক্তি তথা বিশেষজ্ঞ সকলৰ মত গ্ৰহণ কৰা বুলি জানিব পৰা গৈছে। বিশেষজ্ঞ তথা বিভিন্ন খণ্ডৰ প্ৰতিনিধি সকলৰ পৰামৰ্শসমূহ বাজেটৰ বাবে চালি জাৰি চাই গ্ৰহণ কৰা হ'ব বুলি তেওঁ আশ্বাস প্ৰদান কৰে। লোকসভাত বাজেট উত্থাপনৰ পাছত ইয়াৰ প্ৰতিলিপি ৰাজ্যসভাতো দাখিল কৰা হ'ব।

ইয়াৰ পূৰ্বে কালি উভয় সদনত ২০২৩-২৪ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষা দাখিল কৰা হয়। দাখিল কৰা সমীক্ষা অনুসৰি চলিত বিত্তীয় বৰ্ষৰ বাবে মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ ৬ দশমিক ৫ শতাংশৰ পৰা ৭ শতাংশ ধাৰ্য কৰা হৈছে। সংসদৰ বাজেট অধিৱেশনৰ কালি প্ৰথম দিনা লোকসভাত অৰ্থনৈতিক সমীক্ষা দাখিল কৰি কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে এই তথ্য প্ৰকাশ কৰে। সমীক্ষাত প্ৰকাশ পোৱা মতে গোলকীয় অৰ্থনীতিৰ ক্ষেত্ৰখনৰ অনিশ্চয়তা সত্বেও ২০২৩-২৪ বিত্তীয় বৰ্ষত ঘৰুৱা উৎপাদনত অৰ্থনৈতিক বিকাশ সম্ভৱপৰ হৈ উঠিছে। চলিত বিত্তীয় বৰ্ষত সেৱা খণ্ডই মুঠ অৰ্থনৈতিক বিকাশৰ ৫৫ শতাংশৰ অংশীদাৰ হৈ পুনৰবাৰ দেশৰ প্ৰগতিৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি আগবঢ়াইছে বুলি কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে অৰ্থনৈতিক সমীক্ষা সন্দৰ্ভত চৰকাৰৰ মুখ্য অৰ্থনৈতিক উপদেষ্টা ড০ ভি অনন্ত নাগেশ্বৰণে এখন সংবাদমেলক সম্বোধন কৰি কয় যে, দেশৰ অৰ্থনৈতিক বিকাশে এটা উল্লেখযোগ্য গতি লাভ কৰিছে।

অহাটো বিত্তীয় বৰ্ষত কৃষিখণ্ডই উন্নত প্ৰদৰ্শন আগবঢ়োৱাৰ সম্ভাৱনা আছে বুলিও তেওঁ লগতে মন্তব্য কৰে। দেশৰ ক্ৰমবৰ্ধমান কৰ্মশক্তিক সংস্থাপিত কৰিবলৈ ভাৰতীয় অৰ্থনীতিয়ে ২০৩০ চনলৈকে কৃষিখণ্ডৰ বাহিৰত বছৰি প্ৰায় ৭৯ লাখ নিযুক্তি প্ৰদান কৰাটো প্ৰয়োজন বুলিও ড০ নাগেশ্বৰণে প্ৰকাশ কৰে।

০০০০০

সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণ বিভাগে কালি নতুন দিল্লীত ব্যক্তিগত প্ৰতিষ্ঠান আৰু ষ্টাৰ্টআপসমূহৰ সৈতে ৭২ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। বিশেষভাৱে সক্ষম লোকসকলক সামাজিক, শৈক্ষিক আৰু অৰ্থনৈতিকভাৱে সৱল কৰি তোলাই এই বুজাবুজিৰ চুক্তিসমূহৰ প্ৰধান লক্ষ্য। সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ কেন্দ্ৰীয় মন্ত্ৰী ড০ বীৰেন্দ্ৰ কুমাৰ আৰু ৰাজ্য মন্ত্ৰী বি এল বাৰ্মাৰ উপস্থিতিত এই বুজাবুজিৰ চুক্তিকেইখনত স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি ড০ কুমাৰে কয় যে, বিভাগে দিব্যাংগ লোকসকলৰ সামাজিক, অৰ্থনৈতিক আৰু শৈক্ষিক সৱলীকৰণৰ দিশত ধাৰাবাহিকভাৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। দেশৰ ভালেকেইটা প্ৰতিষ্ঠানে এনে লোকসকলৰ জীৱন সহজসাধ্য কৰি তুলিবলৈ কম খৰচত উপযোগী যন্ত্ৰ নিৰ্মাণ কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। কালি স্বাক্ষৰিত বুজাবুজিৰ চুক্তিসমূহে দিব্যাংগ লোকসকলৰ প্ৰতি চৰকাৰৰ দায়বদ্ধতা প্ৰতিফলিত কৰিছে বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০

উচ্চতম ন্যায়ালয়ে চলিত বৰ্ষৰ নীট স্নাতক পৰীক্ষাৰ পদাৰ্থ বিজ্ঞানৰ এটা প্ৰশ্নত দিয়া দুটা বিকল্প উত্তৰক ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই শুদ্ধ বুলি গন্য কৰা সিদ্ধান্ত সন্দৰ্ভত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান দিল্লীক এখন বিশেষজ্ঞ সমিতি গঠন কৰি মতামত আগবঢ়াবলৈ নিৰ্দেশ দিছে। উচ্চতম ন্যায়ালয়ে আজি দিনৰ ১২ বজাৰ ভিতৰত সমিতিখনক নিজৰ মতামত আগবঢ়াবলৈ নিৰ্দেশ দিছে। এই সন্দৰ্ভত আজি পুনৰ শুনানি গ্ৰহণ কৰা হ'ব।

০০০০০

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই শেহতীয়াকৈ চৰকাৰী চাকৰিত সংৰক্ষণৰ বিৰুদ্ধে ছাত্ৰ-ছাত্ৰীৰ নেতৃত্বত দেশজুৰি হোৱা প্ৰতিবাদ তথা ভয়াৱহ হিংসাৰ বাবে বিৰোধী দলসমূহক দোষাৰোপ কৰিছে। দেশখনৰ ৰাজধানী ঢাকাত ব্যৱসায় খণ্ডৰ নেতাসকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে পৰিস্থিতি উন্নত হ'লেই সান্ধ্য আইন উঠাই লোৱা হ'ব বুলি প্ৰকাশ কৰে। তেওঁ কয় যে, দেশখনৰ নাগৰিকৰ জীৱন তথা সম্পত্তি ৰক্ষা কৰাৰ স্বাৰ্থত চৰকাৰে সান্ধ্য আইন জাৰি কৰিবলৈ বাধ্য হৈছিল। দেওবাৰে দেশখনৰ শীৰ্ষ আদালতে চৰকাৰী চাকৰিত থকা বেছিভাগ সংৰক্ষণৰ বিৰুদ্ধে ৰায়দান কৰাৰ এদিন পাছতে প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই এইদৰে মন্তব্য কৰে। দেশখনৰ সুৰক্ষা বাহিনী তথা প্ৰতিবাদকাৰী সকলৰ মাজত সংঘৰ্ষ সৃষ্টি হোৱাৰ পাছত আদালতে এই ৰায়দান কৰে। চিকিৎসালয়ৰ সূত্ৰত প্ৰকাশ পোৱা অনুসৰি বাংলাদেশৰ শেহতীয়া হিংসাজৰ্জৰ পৰিস্থিতিত ১৪৭ গৰাকী লোক নিহত হয়।

০০০০০

চীনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ ছিচুৱান প্ৰদেশত আকস্মিক বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১৪ লৈ বৃদ্ধি পাইছে। স্থানীয় কৰ্তৃপক্ষই কালি সন্ধিয়া প্ৰকাশ কৰা অনুসৰি এইপৰ্যন্ত ১৪ জন লোকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে আৰু ২৫ জন লোক এতিয়াও সন্ধানহীন হৈ আছে। এই লোকসকলক উদ্ধাৰৰ বাবে উদ্ধাৰকাৰী দলে অভিযান অব্যাহত ৰাখিছে। যোৱা শনিবাৰে পুৱতি নিশা হোৱা ধাৰাষাৰ বৰষুণৰ ফলত এই আকস্মিক বানৰ সৃষ্টি হয়। বানত হনয়ুৱান কাউণ্টিৰ শ্বিনহুৱা গাঁৱত ৪০টাৰো অধিক বাসগৃহ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই অলিম্পিক আন্দোলনলৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে অলিম্পিক অৰ্ডাৰ সন্মান লাভ কৰা ভাৰতীয় শ্বুটাৰ অভিনৱ বিন্দ্ৰাক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত লিখা এটা পোষ্টত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে খেলুৱৈগৰাকীৰ এই কৃতিত্বই সমগ্ৰ দেশকে গৌৰৱান্বিত কৰিছে বুলি উল্লেখ কৰে। তেওঁ লগতে কয় যে, সঁচাকৈয়ে এগৰাকী যোগ্য খেলুৱৈ হিচাপে শ্ৰীবিন্দ্ৰাই এই সন্মান লাভ কৰিছে। খেলুৱৈগৰাকীয়ে শ্বুটিঙৰ সৈতে জড়িত খেলুৱৈসকলৰ উপৰি অলিম্পিকত অংশগ্ৰহণ কৰা খেলুৱৈসকলকো অনুপ্ৰাণিত কৰি আহিছে বুলি ড০ মন্দাভিয়াই প্ৰকাশ কৰে।

০০০০০

ভাৰত আজি মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত হ'বলগীয়া গ্ৰুপ-এৰ এখন খেলত নেপালৰ মুখামুখি হ'ব। খেলখন শ্ৰীলংকাৰ ডাম্বুলাত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। গ্ৰুপ-এত ভাৰতে আটাইকেইখন খেলতেই জয়ী হৈ বৰ্তমান পইণ্ট তালিকাৰ শীৰ্ষত আছে। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় মহিলা দলটোৱে পূৰ্বৰ খেল দুখনত পাকিস্তান আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ বিৰুদ্ধে জয়লাভ কৰিছিল। নেপালে প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰক পৰাস্ত কৰাৰ বিপৰীতে পৰৱৰ্তী খেলখনত পাকিস্তানৰ হাতত পৰাজিত হয়।

গ্ৰুপ-এৰ আন এখন খেলত আজি পাকিস্তান সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ মুখামুখি হ'ব। খেলখন দিনৰ ২ বজাত আৰম্ভ হ'ব।

ইপিনে ডাম্বুলাত কালি অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত আয়োজক দেশ শ্ৰীলংকাই মালয়েছিয়াক ১৪৪ ৰানত পৰাস্ত কৰে। খেলখনত শ্ৰীলংকাই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ১৮৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত মালয়েছিয়াই ১৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ৪০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

একেখন ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-বিৰ আন এখন খেলত বাংলাদেশে থাইলেণ্ডক ৭ উইকেটত পৰাজিত কৰে। বাংলাদেশে ১৭ অভাৰ ৩টা বলত ৩ উইকেটৰ বিনিময়ত ১০০ ৰান কৰি অনায়াসে বিজয় সাব্যস্ত কৰে। ইয়াৰ পূৰ্বে খেলখনত থাইলেণ্ডে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত অভাৰত ৯টা উইকেট হেৰুৱাই ৯৬ ৰান সংগ্ৰহ কৰিছিল।

০০০০০

স্কটলেণ্ডৰ ছাৰ্লি কাছেলে একদিনীয়া আন্তঃৰাষ্ট্ৰীয় খেলৰ অভিষেক মেচত সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শনৰ অভিলেখ গঢ়িছে। বেগী বলাৰগৰাকীয়ে কালি পুৰুষৰ আই চি চি একদিনীয়া আন্তঃৰাষ্ট্ৰীয় বিশ্বকাপ লীগ-২ত ডাণ্ডিত ওমানৰ বিৰুদ্ধে ২১ ৰানত ৭টা উইকেট দখল কৰে। কাছেলে দক্ষিণ আফ্ৰিকাৰ বেগী বলাৰ কাগিছ' ৰাবাডাই ২০১৬ চনত বাংলাদেশৰ বিৰুদ্ধে খেলা প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় খেলত ১৬ ৰানত ৬টা উইকেট লাভ কৰাৰ অভিলেখ ভংগ কৰে। ৰাবাডাৰ উপৰি ৱেষ্ট ইণ্ডিজৰ বেগী বলাৰ ফিডেল এডৱাৰ্ডেও নিজা প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় খেলত ২২ ৰানত ৬টা উইকেট দখল কৰিছিল।

০০০০০

সমাপ্ত